**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 12-01-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**<u>HEADLINE</u>**

ooooo

১। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ছুইজাৰলেণ্ডত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক জুৰিখ বিমানবন্দৰত প্ৰবাসী ভাৰতীয়ৰ আদৰণি।

২। জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ বাবে শিখা শৰ্মা নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ। দুদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ।

৩। গুৱাহাটী বিশ্ববিদ্যালয়ত দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীৰ উত্তৰ-পূব আঞ্চলিক ভাৰতীয় দক্ষতা প্ৰতিযোগিতা উদ্বোধন।

৪। ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণৰ আৰম্ভণি।

**আৰু**

৫। হত্যাকাণ্ডৰ অপৰাধত ৰঙিয়াৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতৰ ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ড।

ooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দেশখনলৈ গৈছে। মুখ্যমন্ত্ৰীক জুৰিখ বিমানবন্দৰত দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলে আন্তৰিকতাৰে আদৰণি জনায়। ড০ শৰ্মাই জুৰিখত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান চন্মুগৰত্নমক সাক্ষাৎ কৰি ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে মত বিনিময় কৰে। তেওঁ অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডু আৰু বিশ্ববেংকৰ অধ্যক্ষ অজয় বাংগাকো সাক্ষাৎ কৰে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সন্মিলনত অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

এই সন্মিলনত ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিছে। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হৈছে প্ৰথমগৰাকী অসমীয়া। এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত ৰাজ্যখনক আগশাৰীলৈ লৈ যোৱাৰ দিশত

সহায়ক হ’ব। মুখ্যমন্ত্রীয়ে এই ফ’ৰামত কমেও ১৭ খন বৈঠকত অংশ লোৱাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

ooooo

জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত আজি গুৱাহাটীৰ পাণবজাৰ আৰক্ষীয়ে শিখা শৰ্মা নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে। শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰাৰ পাছতে আৰক্ষীয়ে তেওঁক গুৱাহাটীৰ পাথৰকুৰেৰীৰ নীলাচল এপাৰ্টমেণ্টৰ পৰা আটক কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ইতিমধ্যে বিতৰ্কিত মহিলাগৰাকীক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে মহিলাগৰাকীয়ে দীৰ্ঘদিন ধৰি জুবিন গাৰ্গ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক কথা লিখি আহিছিল। শিখা শৰ্মাৰ বিৰুদ্ধে এহাজাৰ দাখিল কৰি সাংবাদিকৰ আগত গৰিমা শইকীয়া গাৰ্গে এইদৰে কয়–

**বাইট (গৰিমা শইকীয়া গাৰ্গ)**

ইপিনে জুবিন গাৰ্গ ফেন ক্লাবৰ সদস্যসকলেও ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত শিখা শৰ্মা নামৰ মহিলাগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। পাঠশালা জুবিন গাৰ্গ ফেন ক্লাবে পাঠশালা থানাত এজাহাৰ দাখিল কৰি শিখা শৰ্মাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনোৱাৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত কোনো যাতে সাৰি যাব নোৱাৰে তাৰো দাবী জনাইছে।

ooooo

দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত আজি উত্তৰ-পূব আঞ্চলিক ভাৰতীয় দক্ষতা প্ৰতিযোগিতা ২০২৫-২৬ উদ্বোধন কৰে। এই প্ৰতিযোগিতাৰ জৰিয়তে দেশৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্থিতি শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ যুৱক-যুৱতীসকলক একত্ৰিত কৰা হৈছে। তেওঁলোকে ২৬টা বিভাগৰ দক্ষতা প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নত যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। এই প্ৰতিযোগিতা উৎকৃষ্টতা, নিয়মানুৱৰ্তিতা আৰু কৰ্মৰ মৰ্য্যাদাৰ উদযাপন বুলি মত প্ৰকাশ কৰে।

-বাইট-

প্ৰতিযোগিতাত উত্তৰ পূবৰ আঠখন ৰাজ্যৰ ১৬২ গৰাকী প্ৰতিযোগীয়ে অংশ লৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ ননীগোপাল মহন্ত, ৰাজ্য চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠী আৰু কেন্দ্ৰীয় চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ যুটীয়া সচিব হেনা ওচমান প্ৰমুখ্যে শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগৰ ক্ষেত্ৰত উদ্যমিতাৰ বিকাশ, প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধি আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় মানৰ সৈতে ফেৰ মাৰিব পৰাকৈ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ প্ৰয়াস কৰা হৈছে। এই প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় মানৰ আধাৰত প্ৰতিযোগীসকলক মূল্যায়ণ কৰা হ’ব। বিজয়ীসকলে চলিত বছৰৰ ২২ৰ

পৰা ২৭ ছেপ্তেম্বৰলৈ চাংহাইত হ'বলগীয়া বিশ্ব দক্ষতা প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিব।

কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌধাৰীয়ে আজি গোৱালপাৰা জিলাত উপস্থিত হৈ অভিলাষী জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে গোৱালপাৰাৰ বাপুজী নগৰত থকা আবু আল মজিদ নামৰ লোকজনৰ ছয়াবিনৰ পৰা উৎপাদিত দুগ্ধজাতীয় খাদ্য সামগ্ৰীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে উন্নত জাতৰ ছাগলী আৰু কুকুৰাৰ পামো পৰিদৰ্শন কৰে। এনেধৰণৰ কাম-কাজে জিলাখনৰ উন্নয়নত অৰিহণা যোগাব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ লগতে উত্তৰ পূবৰ উন্নয়নত বিশেষ গুৰুত্ব দিয়া বুলিও তেওঁ উল্লেখ কৰে।

ooooo

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণ অহা ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এই আঁচনিৰ অধীনত ৰাজ্যৰ ৭৫ হাজাৰ যুৱকে আত্মসংস্থাপনৰ বাবে ২ লাখ টকাকৈ লাভ কৰিব। সমগ্ৰ ৰাজ্যত ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত এই আঁচনিৰ পুঁজি বিতৰণ সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়।

ooooo

কামৰূপ জিলাৰ ৰঙিয়াৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি এটা ৰায়যোগে হত্যাকাণ্ডৰ অপৰাধত ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। লোক কেইজন হৈছে উত্তৰ গুৱাহাটীৰ ফুলুং গাঁৱৰ একেটা পৰিয়ালৰ তফাইল আহমেদ, ইলিজা বেগম, ৰুকিয়া ছিদ্দিকা আৰু লুতফুৰ ৰহমান। ২০১৮ চনৰ ১৬ জানুৱাৰীত এই লোক কেইজনে তেওঁলোকৰ পৰিয়ালৰ এজন সদস্যক হত্যা কৰা বুলি বাইহাটা চাৰিআলিৰ থানাত এজাহাৰ দাখিল কৰা হৈছিল। এই এজাহাৰৰ ভিত্তিত ৰুজু হোৱা গোচৰটোৰ ৮ বছৰজোৰা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আজি আদালতে ৰায় দিয়ে।

ooooo

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গোগামুখৰ মইনাপাৰাত আয়োজিত এটা অনুষ্ঠানত লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰা চাৰিটা পথ ৰাইজলৈ উৎসৰ্গা কৰে। মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত চাৰি কোটিৰো অধিক টকা ব্যয় সাপেক্ষ মইনাপাৰাৰ পৰা দীঘলী পথাৰ অভিমুখী পথ, চুতিয়াপাৰাৰ পৰা দক্ষিণ নলবাৰী এল পি স্কুল, চেতিয়াগাঁও তিনিআলিৰ পৰা আয়াং তিনিআলি আৰু বাডুলুকাৰ পৰা কমাৰচলালৈ যোৱা চাৰিটা পথ মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে টাইকোৱানডো সংস্থাৰ অধীনত ধেমাজি টাইকোৱানডো একাডেমীয়ে আয়োজন কৰা টাইকোৱানডো প্ৰতিযোগিতা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে খেলুৱৈসকলক উৎসাহ যোগোৱাৰ লগতে এই প্ৰতিযোগিতাৰ পৰাই ৰাজ্য তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ ওলাব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যৰ ৭ খন জিলাৰ ৪ শতাধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশ লৈছে। ডাঃ পেগুৱে অসম ফুটবল সন্থাৰ আমন্ত্ৰণমৰ্মে ২১ জানুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ জিলাখনত হ'বলগীয়া সন্তোষ ট্ৰফীৰ মূল ৰাউণ্ডৰ খেলসমূহৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ ছেমি ফাইনেল আৰু ফাইনেল খেলৰ বাবে সাজু কৰা জিলাখনৰ দেউৰী বিলৰ নিৰ্মিয়মান ক্ৰীড়া প্ৰকল্প পৰিদৰ্শন কৰে। ১২ টা দলে অংশ ল'বলগীয়া এই

প্ৰতিযোগিতাৰ উদ্বোধনী খেলত চিলাপথাৰ ষ্টেডিয়ামত ঘৰুৱা দল অসম তামিলনাডুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰকল্প পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

-বাইট(ৰণোজ পেগু)-

ooooo

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ আজি দাখিল কৰা হয়। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্ণিং বিষয়া কে লক্ষ্মণে প্ৰকাশ কৰা নিৰ্বাচনসূচী অনুসৰি, আজি দিনৰ ২ বজাৰ পৰা ৪ বজাৰ ভিতৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰা হয়। প্ৰতিখন ৰাজ্যৰ পৰিষদৰ সদস্যসকল দলটোৰ সভাপতি নিৰ্বাচনৰ বাবে ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। কাইলৈ বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। দলৰ ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে একমাত্ৰ নীতিন নবীনে মনোনয়ন দাখিল কৰাত তেওঁৰেই সভাপতি নিৰ্বাচিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী জগতপ্ৰকাশ নাড্ডাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীনাড্ডাক ২০১৯ চনত দলটোৰ কাৰ্যকৰী সভাপতি হিচাপে নিয়োজিত কৰা হৈছিল আৰু ২০২০ চনৰ জানুৱাৰীত তেওঁক ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহৰ স্থলাভিষিক্ত কৰা হৈছিল।

ooooo

ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া তথা গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তক আজি অসম বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক সমাৱৰ্তনত ডি-লিট সন্মান প্ৰদান কৰা হয়। ১৯৯৯ বেট্‌ছৰ আই পি এছ্ বিষয়া শ্ৰীমহন্ত এই সন্মান লাভ কৰা প্ৰথমগৰাকী আৰক্ষী বিষয়া হিচাপে পৰিগণিত হৈছে। বেলুৰ মঠৰ ৰামকৃষ্ণ মিচন বিবেকানন্দ এডুকেচন এণ্ড ৰিচাৰ্চ্ ইন্সটিটিউটৰ সম-উপাচাৰ্য্য আত্মপ্ৰিয়নন্দে তেওঁক এই সন্মান প্ৰদান কৰে। অনুষ্ঠানত অসম বিশ্ববিদ্যালয়ৰ অধ্যক্ষ অৰূপ ৰাহা আৰু উপাচাৰ্য্য ৰাজীৱ মোহন পন্থ উপস্থিত থাকে।

উল্লেখযোগ্য যে, এই সমাৱৰ্তন অনুষ্ঠানত ১৩ হাজাৰ ৬৬৬ গৰাকী ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ত ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

ooooo

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ শেষকৃত্য আজি আবেলি নৱগ্ৰহ শ্মশানত বহু গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত শিল্পীগৰাকীৰ দেহাৱসান ঘটে। ১৯৪০ চনত জন্মলাভ কৰা যশস্বী শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। আকাশবাণীৰ বি-হাই গ্ৰেড শিল্পী মিনতি খাউণ্ড শাস্ত্ৰীয় সংগীতৰ অন্যতম গুৰুৰূপে সমগ্ৰ দেশতে পৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ অসম লোকসেৱা আয়োগৰ সদস্য পৱিত্ৰ ৰাম খাউণ্ড আৰু কন্যা বিশিষ্ট বেহেলাবাদক সুনীতা খাউণ্ড ভূঞাক এৰি থৈ যায়। যশস্বী শিল্পী খাউণ্ডৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বেহেলা বাদনেৰে অসমক প্ৰতিনিধিত্ব কৰি শিল্পীগৰাকীয়ে ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছিল।

ooooo

ৰাজ্যখনৰ অন্যতম ৰেডিঅ' শ্ৰোতা সংঘ- অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ আকাশবাণীৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তি আৰু শ্ৰোতাক বঁটা প্ৰদান

কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ঘোষিকা কৰবী হাজৰিকা, ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা ৰীতা গগৈ বৰা, যোৰহাট কেন্দ্ৰৰ ঘোষক দিগন্ত বৰা আৰু তেজপুৰ কেন্দ্ৰৰ ঘোষক ত্ৰৈলোক্য বৰাক বিশেষ বঁটা প্ৰদান কৰা হ'ব। ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ৰূপজ্যোতি দুৱৰাক অনুষ্ঠান প্ৰযোজনাৰ বঁটা আৰু যুৱ সাংবাদিক নিৰঞ্জন দাসক আন দুটা বঁটা প্ৰদান কৰা হ'ব। কণ্ঠশিল্পী সংগীতা বৰঠাকুৰক ছৈয়দ ছাদুল্লা সোঁৱৰণী বঁটা আৰু সুৰকাৰ-গীতিকাৰ ৰাজেন গোহাঁইক জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদান কৰা হ'ব। বিশ্বনাথৰ শৰৎ দুৱৰা, ধেমাজিৰ মাছখোৱাৰ অজিত দিহিঙীয়া আৰু যোৰহাটৰ জাঁজীৰ দিনেশ শৰ্মাক অনুৰাগী শ্ৰোতা বন্ধু বঁটা প্ৰদান কৰা হ'ব। কাইলৈ ধেমাজিৰ মাছখোৱাৰ জোৰকটা সমন্বয় সংঘৰ প্ৰাংগণত আয়োজিত অনুষ্ঠানত এই বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

ooooo

বজালী জিলাৰ বেলনাত ৯৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত এটা পথ আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা পাটাচাৰকুছি সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে মুকলি কৰে। জিলাখনৰ বেলনা তিনিআলি চ'কৰ পৰা বেংজুলি মছজিদলৈ পথটো নিৰ্মাণ কৰা হৈছে। পথটো মুকলি কৰাৰ ফলত অঞ্চলবাসী ৰাইজ উপকৃত হ'ব বুলি মন্ত্ৰী শ্ৰীদাসে আশা প্ৰকাশ কৰে।

ooooo

বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ টিপকাইত বীৰ চিলাগং বসুমতাৰী স্মাৰক ষ্টেডিয়াম, গুৰুদেৱ কালীচৰণ ব্ৰহ্ম প্ৰেক্ষাগৃহ, পৰ্বঝৰাত পলিটেকনিক আৰু বৃত্তিমুখী প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু কোকৰাঝাৰত ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে।

ooooo

মাজুলীৰ ভকতচাপৰিবাসীৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে জলসম্পদ বিভাগে ভকতচাপৰি আলিমূৰৰ মূল সুঁতি বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই উপলক্ষে আজি অনুষ্ঠিত কাৰ্যসূচীত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামী, বিধায়ক ভূৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু জলসম্পদ বিভাগৰ অভিযন্তাৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে এই সুঁতি বন্ধ কৰি দিয়াৰ ফলত অঞ্চলটোৰ ১৬ খন গাঁৱৰ লোক উপকৃত হ'ব। এই সুঁতিটোৱে আউনীআটী সত্ৰৰ লগতে সমগ্ৰ নামনি মাজুলীলৈ খহনীয়াৰে ভাবুকি কঢ়িয়াই আনিছিল। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰগৰাকীয়ে দীৰ্ঘদিন ধৰি এই সুঁতিটো বন্ধ কৰাৰ বাবে জলসম্পদ বিভাগক দাবী জনাই আহিছিল।

ooooo

সমাপ্ত